**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-AUG-2025
**Time :** 7-05 AM

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি মনোনয়ন পত্ৰ দাখিল কৰিব।

২।	ভাৰত আৰু চীনৰ মাজত সুস্থিৰ আৰু গঠনমূলক সম্পৰ্কই বিশ্বত শান্তি আৰু সমৃদ্ধিত অৰিহণা যোগাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ভাৰত আৰু ৰাছিয়াৰ মাজত হ'বলগীয়া বাণিজ্য, অৰ্থনীতি, বিজ্ঞান, প্ৰযুক্তি আৰু সাংস্কৃতিক সহযোগিতাৰ ২৬ সংখ্যক অধিৰেশনত সহ অধ্যক্ষতা কৰিব।

৪।	মহাৰাষ্ট্ৰত বিগত চাৰিদিনত বৰষুণ আৰু বানৰ ফলত ২১ জন লোকৰ মৃত্যু হৈছে।	*আৰু*

৫।	কাজাখস্তানত চলি থকা এছিয়ান শ্বুটিং চেম্পিয়নশ্বিপৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত মনু ভাকেৰৰ ব্ৰঞ্জৰ পদক লাভ।

ooooo

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। এন ডি এৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই মনোনয়ন পত্ৰ দাখিল পৰ্বত উপস্থিত থাকিব। নতুন দিল্লীত কালি অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনক এন ডি এৰ সাংসদসকলৰ সৈতে চিনাকী কৰোৱাই দিয়ে আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণন যাতে বিনা প্ৰতিদ্বন্দ্বিতাৰে উপ-ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হয় তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো সাংসদকে আহ্বান জনাইছে। ইফালে বিৰোধী ইণ্ডিয়া ব্লকেও উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম ঘোষণা কৰিছে। অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কাইলৈ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২২ আগষ্টত মনোনয়ন পত্ৰ পুনৰীক্ষণ কৰা হ'ব আৰু মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৫ আগষ্ট ধাৰ্য কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰত আৰু চীনৰ মাজত সুস্থিৰ আৰু গঠনমূলক সম্পৰ্কই বিশ্ব শান্তি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত-চীন সীমান্তত শান্তি বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। কালি নতুন দিল্লীত চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িৰ সৈতে হোৱা বৈঠকৰ পাছতেই প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এই কথা প্ৰকাশ কৰে। চীনৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি চি ঝিনপিঙৰ হৈ প্ৰধানমন্ত্ৰী শ্ৰীমোদীক টিয়ানজিনত হ'বলগীয়া চাংহাই সহযোগিতা সন্মিলনলৈ আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে দুয়োখন দেশৰ মাজত ভাল সম্পৰ্ক ৰক্ষাৰ বাবে সীমান্তত শান্তি আৰু স্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত সীমা সন্দৰ্ভত স্বচ্ছ, যুক্তিসন্মত আৰু উভয়

পক্ষৰে গ্ৰহণযোগ্য সমাধান উলিওৱাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে যোৱা বছৰ কাজানত ৰাষ্ট্ৰপতি জিন পিঙেৰে হোৱা আলোচনা ফলপ্ৰসূ হোৱা বুলি উল্লেখ কৰি কয় যে ইয়াৰ বাবে কৈলাশ মান সৰোবৰ যাত্ৰা পুনৰ আৰম্ভ হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ভাৰত আৰু ৰাছিয়াৰ মাজত হ'বলগীয়া বাণিজ্য, অৰ্থনীতি, বিজ্ঞান, প্ৰযুক্তি আৰু সাংস্কৃতিক সহযোগিতাৰ ২৬ সংখ্যক অধিৱেশনৰ সহ অধ্যক্ষতা কৰিব। ড০ জয়শংকৰে মস্কোত অনুষ্ঠিত ভাৰত-ৰাছিয়া বাণিজ্যিক মঞ্চৰ সভাতো অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰিব। তিনিদিনীয়া ৰাছিয়া ভ্ৰমণসূচীৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কালি সন্ধিয়া মস্কোত উপস্থিত হয়। ভ্ৰমণকালত ড০ জয়শংকৰে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী চাৰ্গেই লাভৰ'ভক সাক্ষাৎ কৰি আঞ্চলিক আৰু গোলকীয় বিষয়সমূহত দুয়োখন দেশৰ দৃষ্টিভংগী পৰ্যালোচনা কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালে মস্কো ভ্ৰমণ কৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, প্ৰথম উপ-প্ৰধানমন্ত্ৰী মান্টুৰ'ভ আৰু নিৰাপত্তা পৰিষদৰ সচিব চাৰ্গেই শ্বইগুৰ সৈতে আলোচনাত মিলিত হৈছে।

০০০০০

মহাৰাষ্ট্ৰত বিগত চাৰিদিনত বৰষুণ আৰু বানৰ ফলত কমেও ২১ জন লোকৰ মৃত্যু হৈছে। মুম্বাই, থানে, পালঘৰ, কোকান আৰু ৰাজ্যখনৰ আন আন প্ৰান্তত ধাৰাষাৰ বৰষুণ অব্যাহত আছে। বানত নন্দেদ জিলাত ৮ গৰাকী লোকৰ কৰুণ মৃত্যু হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য মতে মুম্বাইত ৩০০ মিলিমিটাৰ বৰষুণে অভিলেখ গঢ়িছে। ইতিমধ্যে মুম্বাই চহৰৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। বতৰ বিজ্ঞান বিভাগে বিদ্ধৰ্ব অঞ্চলত ৰেড এলাৰ্ড জাৰি কৰিছে। সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পুনে আৰু মুম্বাইৰ মাজৰ ৰে'লসমূহ পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বাতিল কৰা হৈছে। থানে আৰু ৰায়গঞ্জ জিলাত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহ বন্ধ ঘোষণা কৰা হৈছে। পটন, জাউলী, মহাবালেশ্বৰ, ৱাই, ছাটাৰা, কৰড তালুকাছ আদি অঞ্চলৰ প্ৰাথমিক বিদ্যালয়সমূহ আজি আৰু কাইলৈ বন্ধ ৰখা হ'ব। উল্লেখযোগ্য যে এই অঞ্চলসমূহত বতৰ বিজ্ঞান বিভাগে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। মিথি নদীয়ে বিপদসীমা অতিক্ৰম কৰাৰ পাছত ৩৫০ গৰাকী লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হৈছে। মদক সাগৰ বান্ধ ৯৮ শতাংশ ভৰ্তি হৈছে আৰু আজি ধাৰাষাৰ বৰষুণ দিলে বান্ধটোৰ পৰা বিপদ হ'ব পাৰে বুলি বিভাগীয় কৰ্তৃপক্ষই উল্লেখ কৰিছে। ভৈতৰ্ন নদীৰ কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণক সাৱধান হ'বলৈও বিভাগে নিৰ্দেশনা জাৰি কৰিছে। সকলো সংশ্লিষ্ট সংস্থাকে জনতাৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহি বিহাৰৰ গয়াত আউণ্টা-ছিমাৰীয়া প্ৰকল্পৰ উদ্বোধন কৰিব। এই প্ৰকল্পৰ অধীনত গংগা নদীৰ ওপৰত পাটনা জিলাৰ মকামা আৰু বেগুচৰাই সংযোগী এখন ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণ কৰা হৈছে। নতুন দিল্লীত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ সদস্য অনিল চৌধাৰীয়ে সংবাদমাধ্যমৰ সন্মুখত কয়, যে এই নতুন দলংখন দুই লেনযুক্ত ৰাজেন্দ্ৰ সেতুৰ সমান্তৰালকৈ নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয়, যে নতুন দলংখনে উত্তৰ বিহাৰ আৰু দক্ষিণ বিহাৰৰ মাজত প্ৰায় ১০০ কিলোমিটাৰ পৰ্যন্ত দূৰত্ব হ্ৰাস কৰিব। ২০১৭ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়া নিয়াৰি কৰি তোলাৰ লগতে ইয়াৰ সংশোধনৰ বাবে বিগত ছমাহত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। আয়োগে জনাইছে যে, এই পদক্ষেপসমূহে বিভিন্ন ৰাজনৈতিক দল আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সংশ্লিষ্ট পক্ষসমূহক সামৰি লোৱাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াক শক্তিশালী ৰূপত আগবঢ়াই নিয়া তথা শিক্ষণ ব্যৱস্থাৰ জৰিয়তে প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰেৰে ভোটদানৰ প্ৰক্ৰিয়াক সহজ কৰি তোলাৰ চেষ্টা কৰিছে। অ-স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলক বিচাৰি উলিয়াই নিৰ্বাচনত দলসমূহৰ অংশগ্ৰহণ বন্ধ কৰা, ভোটদান কেন্দ্ৰসমূহত ১০০ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা, বিহাৰত বিশেষ ব্যৱস্থাৰে নিৰ্বাচনী প্ৰক্ৰিয়াৰ পুনৰীক্ষণ ইত্যাদিকে ধৰি ২৮টা এনে পদক্ষেপ গ্ৰহণ কৰা বুলি আয়োগে জানিবলৈ দিছে।

০০০০০

ভাৰতীয় বৈদেশিক সেৱাৰ ২০২৪ বৰ্ষৰ বিষয়া প্ৰশিক্ষাৰ্থীসকলে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰে। সাক্ষাত কালত প্ৰধানমন্ত্ৰীয়ে বিশ্ববন্ধু হিচাপে দেশৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাৰ লগতে বিদেশ ৰাষ্ট্ৰসমূহৰ বিপদত দেশে আগবঢ়োৱা সঁহাৰিৰ বিষয়ে উল্লেখ কৰে। ২০৪৭ চনৰ ভিতৰত দেশ উন্নত ৰাষ্ট্ৰ হোৱাৰ লক্ষ্যত উপনীত হওতে ভৱিষ্যতৰ কূটনীতিবিদ হিচাপে বিষয়া প্ৰশিক্ষাৰ্থীসকলৰ ভূমিকা সম্পৰ্কেও শ্ৰীমোদীয়ে আলোচনা কৰে। কুইজ আৰু তৰ্কৰ জৰিয়তে বিভিন্ন দেশৰ যুৱক-যুৱতীসকলৰ মাজত ভাৰত সন্দৰ্ভত কৌতুহল সৃষ্টি কৰিবলৈ প্ৰশিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

০০০০০

সমাগত পাঁচ বছৰৰ ভিতৰত ভাৰত বিশ্বৰ শীৰ্ষস্থানৰ অটোমোবাইল উদ্যোগ হিচাপে পৰিগণিত হ'ব। নতুন দিল্লীত কালি KPMG প্ৰতিবেদন মুকলি কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান দেশৰ অটোম'বাইল খণ্ডত বছৰি ১৪ শতাংশকৈ বিকাশ হৈছে। দেশৰ ৰেলপথ আৰু সুৰংগ প্ৰকল্পই সংযোগ বৃদ্ধি কৰি ভ্ৰমণৰ সময় হ্ৰাস কৰিছে। সেউজ গতিশীলতাৰ ভৱিষ্যতৰ বিষয়ে উল্লেখ কৰি বৈদ্যুতিক বাহন আৰু বেটাৰী নিৰ্মাণৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰা বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বহনক্ষম পৰিবহণৰ ক্ষেত্ৰত বিশ্বব্যাপী পৰিৱৰ্তনৰ নেতৃত্ব দিবলৈ দেশ বৰ্তমান সক্ষম।

০০০০০

কাজাখস্তানত চলি থকা এছিয়ান শ্বুটিং চেম্পিয়নশ্বিপৰ দহ মিটাৰ এয়াৰ পিষ্টল শাখাত মনু ভাকেৰে ব্ৰঞ্জৰ পদক লাভ কৰে। এইবাৰৰ এছিয়ান শ্বুটিং প্ৰতিযোগিতাত এয়া হৈছে ভাৰতৰ নৰমটো পদক। অৱশ্যে দহ মিটাৰ এয়াৰ পিষ্টল শাখাত ভাৰতৰ আন দুগৰাকী খেলুৱৈ সুৰুচি সিং আৰু পলকে ফাইনেলত প্ৰৱেশ কৰিবলৈ অসমৰ্থ হয়। মনু ভাকেৰে ২১৯.৭ পইন্টেৰে তৃতীয় স্থান দখল কৰে । চীনৰ কিয়াং কে মায়ে স্বৰ্ণ আৰু কোৰিয়াৰ ঝিন য়াঙে ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে যোগ্যতা অৰ্জন পৰ্বত ৫৮৪ পইন্টেৰে মনুৱে ফাইনেলত

প্ৰৱেশ কৰিছিল। সুৰুচিয়ে ৫৭৪ পইন্টেৰে দ্বাদশ আৰু পলকে ৫৭৩ পইন্টেৰে সপ্তদশ স্থান লাভ কৰিছিল। ইফালে দহ মিটাৰ এয়াৰ পিষ্টল শাখাত ভাৰতৰ পুৰুষ দলটোৱে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

০০০০০

অহা ৯ ছেপ্তেম্বৰৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। সূৰ্য কুমাৰ য়াদৱৰ নেতৃত্বৰ ভাৰতীয় দলটোত টেষ্ট অধিনায়ক শুভমন গীল উপ অধিনায়কৰূপে থাকিব। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰু ভাৰতীয় টি টুৱেণ্টি দলৰ অধিনায়ক সূৰ্য্য কুমাৰ য়াদৱে আজি মুম্বাইত দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰে। দলটোৰ বাকী সদস্যসকল হৈছে- অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, শিৱম ডুবে, অক্ষৰ পেটেল, জীতেশ শৰ্মা, অৰ্শদীপ সিং, বৰুণ চক্ৰৱৰ্তী, সঞ্জু চেমচন, হৰ্ষিত ৰাণা, ৰিংকু সিং, যশপ্ৰীত বুমৰা, আৰু কূলদীপ য়াদৱ। ৱাছিংটন সুন্দৰ, ৰিয়ান পৰাগ, ধ্ৰুৱ জুৰেল আৰু যশস্বী জয়ছোৱালক এছিয়া কাপৰ বাবে অতিৰিক্ত খেলুৱৈ হিচাপে ৰখা হৈছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ গ্ৰুপ এত ভাৰতক পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ সৈতে ৰখা হৈছে।

০০০০০

সমাপ্ত